# পাঠ - ১৮

# উন্নত জীৱনৰ প্ৰয়োজনসমূহ

## (আমাৰ ব্যক্তিগত আৰু সামাজিক প্ৰয়োজন)

3RJTLX

মূল অৰ্হতা ঃ


- সুস্থ আৰু শান্তিপূৰ্ণ জীৱনৰ বাবে মৌলিক প্ৰয়োজনৰ উপৰি যে আন বহুতো উন্নত সামগ্ৰী বা ব্যৱস্থাৰ প্ৰয়োজন সেই বিষয়ে অৱগত হোৱা।
- মানুহৰ ব্যক্তিগত আৰু সামাজিক প্ৰয়োজনৰ বিষয়ে ধাৰণা লাভ কৰা।
- ব্যক্তিগত আৰু সামাজিক প্ৰয়োজনসমূহ পূৰণাৰ্থে ব্যৱহাৰ হোৱা সামগ্ৰী আৰু ব্যৱস্থাসমূহৰ বিষয়ে অৱগত হোৱা
- জীৱিকা, উপাৰ্জন আৰু সামাজিক পৰিৱেশভেদে মানুহৰ প্ৰয়োজনসমূহ যে বেলেগ বেলেগ হয় তাক ধাৰণা কৰিব পৰা।



সিপিঠিৰ ছবিকেইখন চাই তোমালোকৰ মনত কি ধাৰণা হৈছে? ইতিমধ্যে আগৰ পাঠত মানুহৰ মৌলিক প্ৰয়োজনসমূহৰ বিষয়ে জানিছাহঁক। সুখ, সমৃদ্ধি আৰু সুস্থ জীৱনৰ বাবে মৌলিক প্ৰয়োজনীয় বস্তুৰ উপৰি মানুহক আন বহুতো বস্তুৰ প্ৰয়োজন হয়। এই বস্তুসমূহে মানুহৰ জীৱন-যাপন প্ৰণালী উন্নত কৰাত সহায় কৰে। এই পাঠৰ জৰিয়তে আমি উন্নত মানৰ জীৱন-ধাৰণৰ প্ৰয়োজনসমূহৰ বিষয়ে কিছু আভাস লওঁ আহা।

সভ্যতা, সংস্কৃতি আৰু শিক্ষাৰ বিকাশৰ লগে লগে মানুহৰ জীৱন-ধাৰণ প্ৰণালীতো পৰিৱৰ্তন আহে। উদাহৰণস্বৰূপে, আদিম যুগৰ মানুহে জীৱ-জন্তুৰ মাংস কেঁচাই খাইছিল। কিন্তু আধুনিক মানুহে বিভিন্ন ধৰণে আৰু স্বাস্থ্যসন্মতভাৱে সুস্বাদু আহাৰ তৈয়াৰ কৰি খাবলৈ শিকিছে। সেইদৰে মানুহৰ সাজ-পাৰ আৰু বাসস্থানৰ ক্ষেত্ৰতো যথেষ্ট পৰিৱৰ্তন আহিছে। যেনে— গছৰ বাকলিৰ পৰিৱৰ্তে এতিয়াৰ মানুহে বিভিন্ন সূতাৰে তৈয়াৰী সাজ-পাৰ পৰিধান কৰে। ঠিক তেনেদৰে গুহা নতুবা গছৰ খোৰোঙৰ পৰিৱৰ্তে আধুনিক মানুহে সুসজ্জিত ঘৰ নিৰ্মাণ কৰিছে। আজিৰ যুগৰ মানুহে নিজৰ আৰাম আৰু সুবিধাৰ বাবে বিজুলীবাতি, ফেন, ৰন্ধন গেছ, ফ্ৰিজ, কাপোৰ ধোৱা মেচিন, ধূলি-বালি আৰু মকৰাজাল আঁতৰোৱা মেচিন, পাকঘৰৰ চিমনি আদিৰ দৰে অনেক বস্তু ব্যৱহাৰ কৰে। জীৱন-ধাৰণৰ প্ৰণালীক উন্নত কৰাৰ বাবে মানুহৰ প্ৰয়োজনৰ সীমা দিনক দিনে বৃদ্ধি হয়।

আনহাতে, আমি সকলোৰে জানো যে মানুহে সদায় গোট বা সমাজ পাতি থাকিবলৈ ভাল পায়। সামাজিক জীৱন শান্তিপূৰ্ণ আৰু আৰামদায়কভাৱে কটাবলৈ হ'লে উল্লিখিত সামগ্ৰীসমূহৰ বাহিৰেও মানুহক সুস্থ, সুন্দৰ আৰু এটা নিৰাপদ পৰিৱেশৰ আৱশ্যক হয়। গতিকে দেখা যায় যে উন্নত জীৱন-যাপনৰ প্ৰয়োজন সমূহক আমি বহলভাৱে দুটা ভাগত ভগাব পাৰোঁ।



(ক) ব্যক্তিগত প্ৰয়োজন

(খ) সামাজিক প্ৰয়োজন।


এই দুবিধ প্ৰয়োজনৰ বিষয়ে জানিবলৈ আমি তলৰ কাহিনীটোৰ আলম লওঁ আহা—

**নৰেশ্বৰ দেউৰীৰ কথা ঃ**



*মোৰ নাম নৰেশ্বৰ দেউৰী। ঘৰ দৰং জিলাৰ পদুমবড়ি গাঁৱত। লেখা-পঢ়া নজনা মই এজন অশিক্ষিত খেতিয়ক। দুটা ল'ৰা-ছোৱালীৰে পৰিয়ালটো পোহ-পাল দিবলৈ মোৰ জীৱিকাৰ উপায় হ'ল একমাত্ৰ খেতি। তাতে খেতি-মাটিও তাকৰীয়া। কেইবছৰমান আগলৈকে কেঁকোৰা নাঙলখনকে সাৰথি কৰি মই মোৰ মাটিত খেতি কৰিছিলোঁ। ওৰেটো বছৰ গাৰ তেজ পানী কৰি খেতি কৰোঁ যদিও ভালদৰে দুসাজ ভাতৰ যোগাৰ*

কৰিব পৰা নাছিলোঁ। নামত হালৰ গৰু এহাল আছিল যদিও বুঢ়া হৈ আহিছিল। ঘৰৰ আচবাব বুলিবলৈকো কাঠৰ চালপীৰা দুখন, কাঁহি-বাতি কেইযোৰমান আৰু চৰু-হাড়ী দুটা। তাতে বেমাৰ-আজাৰেও পৰিয়ালটোক প্ৰায়ে এৰা নিদিয়ে। মুঠতে ঘৰখনৰ নাজল-নাথল অৱস্থা।



কিন্তু যোৱা কেইটামান বছৰৰ পৰা মোৰ অৱস্থা কিছু টনকিয়াল নোহোৱা নহয়। এতিয়া দুবেলা দুমুঠি ভালদৰে খাই অঁতাইও ফচল বিক্ৰী কৰি ৰাহি হোৱা ধনখিনি বেংকত সাঁচিব পৰা হৈছোঁ। যোৱা বছৰৰ আৰম্ভণিতে আগৰ খেৰী ঘৰটোৰ ঠাইত টিন্‌পাত লগাই তিনিটা কোঠাৰ ঘৰ এটা সাজিলোঁ। ঘৰত বিজুলী বাতিও লগালোঁ। এতিয়া আৰু আগৰ দৰে মই তৰা-নৰা ছিঙি খোজ কাঢ়ি অ'লৈ-ত'লৈ দৌৰি ফুৰিব নালাগে। বাইচাইকেলখনত উঠি সাউতকৈ ওলাই যাওঁ। ল'ৰা-ছোৱালী হালক আকৌ টি.ভি. লাগে। মানুহজনীয়েও ৰন্ধন গেছটো আৰু নতুন ডিজাইনৰ তাঁতশাল এখনৰ বাবে লাগি থাকে। যোৱাটো ব'হাগত জমা টকাৰ পৰা কিছু উলিয়াই সিহঁতকেইটাক সেই বস্তু কেইটাও আনি দিলোঁ।



মই গাঁৱলীয়া অশিক্ষিত লোক হ'লেও কাম কৰি ভাল পাওঁ। আনৰ ভাল দিহাবোৰ মন দি শুনোঁ। মোৰ অৱস্থা আগতকৈ ভাল হোৱাৰ কাৰণ অইন একো নহয়, নতুন পদ্ধতিৰে কৰা খেতিৰ প্ৰতি থকা মোৰ হাবিয়াসহে। আমাৰ গাঁৱলৈ অহা গ্ৰামসেৱকজনৰ পৰামৰ্শমতে এতিয়া মই আধুনিক আৰু বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰোঁ। চৰকাৰী আঁচনিৰ সুবিধাও পাইছোঁ। আগৰ নাঙলৰ ঠাইত এতিয়া মই ট্ৰেক্টৰেৰে মাটি চহাওঁ। অৱশ্যে ৰুপিত মাটিও দুবিঘা বাঢ়িল। উন্নত বীজ ব্যৱহাৰ কৰাৰ ফলত ফচল উৎপাদনো আগতকৈ বাঢ়িছে। বছৰি কমেও তিনিটা খেতি চপাব পৰা হ'লোঁ। চৰকাৰৰ কৃষি বিভাগে মোক পুৰস্কৃতও কৰিছে।



আমাৰ গাঁওখন চহৰৰ পৰা ভালেখিনি আঁতৰত। আগতে বাট-পথ বুলিবলৈ নথকাৰ দৰেই। এতিয়া পিছে গাঁৱৰ উন্নতিৰ কাৰণে চৰকাৰে ন ন আঁচনি ৰূপায়ণ কৰিছে। আমাৰ গাঁৱৰ ৰাস্তা-ঘাটো পকা হ'ল। চহৰলৈ বাছ চলাচল কৰে। খোৱাপানী, বিজুলী বাতিৰ ব্যৱস্থাও হ'ল। আমাৰ দিনত স্কুল বুলিবলৈ গোটেই অঞ্চলটোতে মাথোঁ এখনহে আছিল। সিও ৪/৫ কিলোমিটাৰ নিলগত। আই-পিতায়েতো আমাৰ পঢ়া-শুনাৰ নাম ল'বই নোৱাৰিলে। অশিক্ষিত হ'লেও পিছে মই শিক্ষাৰ মোল ভালদৰে বুজি পাওঁ। ল'ৰা-ছোৱালীহালক মোৰ দৰে অশিক্ষিত কৰি নাৰাখোঁ। এতিয়া আমাৰ গাঁৱৰ সোঁ-মাজতে চৰকাৰী স্কুল এখন হৈছে। ল'ৰা-ছোৱালীহালক তাতে নাম লগাই দিছোঁ। মোৰ ঘৰৰ ওচৰতে সৰু পুথিভঁৰাল

এটা আছে। স্থানীয় বিধায়কজনক লাগি-ভাগি গাঁৱৰ ৰাইজে নামঘৰৰ ওচৰৰ খালী ঠাইখিনিত এটা ৰাজহুৱা প্ৰেক্ষাগৃহও সাজিবলৈ লৈছে। সেইটো হ'লে আমাৰ ল'ৰা-ছোৱালীহঁতে তাত নাট-ভাওনা আদিও কৰিব পাৰিব।

পিছে আমাৰ এটা অভাৱ পূৰ হ'বলৈ এতিয়াও বাকী আছে। সেইটো হৈছে এখন প্ৰাথমিক চিকিৎসা কেন্দ্ৰ। হওঁতে গাঁৱৰ মানুহে তাৰ বাবেও চৰকাৰৰ ওচৰত দাবী জনাইছে। জানো- কেতিয়াকৈ সেই সুবিধা আহে! কিন্তু এতিয়া কাৰোবাৰ বেমাৰ-আজাৰ হ'লেও মই পিছে আগৰ দৰে মূৰে-কপালে হাত দি বহি নাথাকোঁ। লৰালৰিকৈ টাউনৰ হস্পিতাললৈ লৈ গৈ ডাক্তৰক দেখুৱাওঁ। বিপদে-আপদে ওচৰ-চুবুৰীয়াইও আহি সহায় কৰেহি। আমাৰ গাঁৱৰ সমাজখনত মিলা-প্ৰীতি আছে। মানুহৰ



মাজত ডাঙৰ- সৰু বা জাত-পাতৰ ভেদাভেদ বৰকৈ চকুত নপৰে। উৎসৱে-পাৰ্বনে সকলোৱে সমানে সহযোগ কৰে। উঠি অহা ল'ৰা-ছোৱালীহঁতেও গাঁওখনৰ বাবে চিন্তা কৰে। মাজে-সময়ে সিহঁতজাকে লগ লাগি গাঁৱৰ আলি-পদূলি, নলা-নৰ্দমা চাফা কৰে। ঘাই আলিৰ দুয়োকাষে গছ-গছনি ৰুই সিহঁতে সাৰ-পানী দি নিজেই চোৱা-চিতা কৰে। ৰাজহুৱা স্থানত ফুলৰ বাগিছাও পাতিছে। মুঠতে গাঁওখনৰ পৰিৱেশটো সুস্থ আৰু শান্তিপূৰ্ণ।

আজৰি পৰত কেতিয়াবা এইবোৰ কথাকে গুণা-গথাঁ কৰোঁ। গাঁওখনৰ উন্নতিত মোৰ গৰ্ববোধ হয়। এটা কথা ভাবি মোৰ আনন্দ লাগে যে মই এতিয়া এজন সফল খেতিয়ক আৰু স্বচ্ছল গৃহস্থ। তদুপৰি ৰাইজৰ মেল-মিটিঙত মই দু-আষাৰ কথা ক'ব পৰাও হৈছোঁ। মোৰ বাটকে অনুসৰণ কৰি অঞ্চলটোৰ বহুকেইজন লোকৰ অৱস্থা এতিয়া আগতকৈ বহু ভাল হ'ল।

- নৰেশ্বৰ দেউৰীৰ জীৱিকাৰ উপায় কি আছিল?
- প্ৰথম অৱস্থাত তেওঁ পৰিয়ালটো ভালদৰে পোহপাল দিব পাৰিছিলনে? তেতিয়া তেওঁ কি কি বস্তু ব্যৱহাৰ কৰিছিল?
- পৰিয়ালটোক স্বচ্ছলভাৱে চলাবলৈ তেওঁক আৰু কি কি বস্তুৰ প্ৰয়োজন আছিল? দেউৰীয়ে সেইবিলাক অভাৱ কেনেকৈ পূৰ কৰিব পাৰিলে?

নৰেশ্বৰ দেউৰীয়ে জীৱনৰ আগছোৱাত অভাৱ-অনাটনৰ মাজেৰে দিন অতিবাহিত কৰিছিল। কিন্তু সেই সময়খিনিতো তেওঁ কিছুমান বস্তু ব্যৱহাৰ কৰি নিজৰ অভাৱ পূৰণৰ চেষ্টা কৰিছিল। লাহে লাহে যেতিয়া তেওঁৰ অৱস্থা ভাললৈ আহিল তেতিয়া তেওঁৰ বাবে বিভিন্ন ধৰণৰ সামগ্ৰীৰ প্ৰয়োজন আহি পৰিল। নিজৰ পৰিশ্ৰমৰ উপাৰ্জনেৰে তেওঁ সেইবিলাকো যোগাৰ কৰি ল'লে। এই আটাইবিলাক সামগ্ৰীয়ে নৰেশ্বৰ দেউৰীৰ পৰিয়ালটোক স্বচ্ছলভাৱে চলাত সহায় কৰিছে।

**এনেদৰে মানুহে নিজৰ ব্যক্তিগত জীৱনটো ভালদৰে চলাই নিবলৈ যিবিলাক সামগ্ৰীৰ প্ৰয়োজন অনুভৱ কৰে, সেইবিলাকেই হ'ল মানুহৰ ব্যক্তিগত প্ৰয়োজন।** জীৱিকা আৰু উপাৰ্জনভেদে মানুহৰ ব্যক্তিগত প্ৰয়োজনসমূহো ভিন ভিন হয়। উদাহৰণস্বৰূপে, এজন কৃষক আৰু এজন চিকিৎসকৰ নিজ নিজ প্ৰয়োজনসমূহ বেলেগ বেলেগ।

এতিয়া তোমালোকৰ নিজৰ কিছুমান ব্যক্তিগত প্ৰয়োজনীয় সামগ্ৰীৰ নাম দলত আলোচনা কৰি একোখনকৈ তালিকা প্ৰস্তুত কৰা।

• নৰেশ্বৰ দেউৰীয়ে ল'ৰা-ছোৱালীহালৰ শিক্ষাৰ বাবে কি ব্যৱস্থা লৈছে?

• পৰিয়ালৰ অসুখ-বিসুখৰ সময়ত তেওঁ চিকিৎসাৰ ব্যৱস্থা কিদৰে কৰিছে?

• পুথিভঁৰাল আৰু প্ৰেক্ষাগৃহৰ পৰা পদুমবড়ি গাঁৱৰ ৰাইজ কেনেদৰে লাভৱান হ'ব?

• দেউৰীহঁতৰ গাঁৱত কি অভাৱ পূৰ হ'বলৈ বাকী আছে?

• পদুমবড়ি গাঁৱৰ ৰাইজৰ মাজত সামাজিক সম্বন্ধ কেনেকুৱা?

• প্ৰকৃতি সংৰক্ষণৰ বাবে গাঁৱৰ ল'ৰা-ছোৱালীবোৰে কি কি কাম কৰে?

• গাঁৱৰ পৰিৱেশ পৰিষ্কাৰ কৰি ৰাখিবলৈ তেওঁলোকে কি ব্যৱস্থা হাতত লয়?

উন্নত জীৱন-নিৰ্বাহ কৰিবলৈ ব্যক্তিগত প্ৰয়োজনসমূহৰ উপৰি নৰেশ্বৰ দেউৰীৰ জীৱনলৈ অন্যান্য কিছুমান প্ৰয়োজনৰ কথাও আহি পৰিল। যেনে— ল'ৰা-ছোৱালীহঁতক লেখা-পঢ়া শিকাবলৈ এখন বিদ্যালয়, খোৱাপানীৰ ব্যৱস্থা, পুথিভঁৰাল, ৰাস্তা-ঘাট, বিজুলী, প্ৰেক্ষাগৃহ ইত্যাদি। এটা সময়ত চৰকাৰ আৰু পদুমবড়ি গাঁৱৰ ৰাইজৰ প্ৰচেষ্টাত গঢ়ি উঠা এনেবোৰ ব্যৱস্থাৰ সুফল নৰেশ্বৰ দেউৰীৰ লগতে গাঁৱৰ আন মানুহেও ভোগ কৰিলে। এই ব্যৱস্থাসমূহে মানুহৰ ব্যক্তিগত প্ৰয়োজনসমূহৰ উপৰি অন্যান্য প্ৰয়োজনবিলাক পূৰণ কৰাত সহায় কৰে। ফলত মানুহে এক সুচল জীৱন-যাপন কৰিবলৈ সমৰ্থ হয়।

**এইদৰে সমাজত সুস্থ-সবল আৰু শান্তিপূৰ্ণভাৱে থাকিবলৈ মানুহক যিবোৰ ব্যৱস্থা আৰু সামগ্ৰীৰ প্ৰয়োজন হয়, সেইবোৰকে সামাজিক প্ৰয়োজন বুলি কোৱা হয়।** সামাজিক প্ৰয়োজনসমূহৰ ভিতৰত তলত উল্লেখ কৰা বিলাকেই প্ৰধান —

✪ জনস্বাস্থ্য (খোৱাপানীৰ ব্যৱস্থা, অনাময় ব্যৱস্থা, চিকিৎসালয় ইত্যাদি)

✪ শিক্ষা (বিদ্যালয়, পুথিভঁৰাল আদি)

✪ ধৰ্ম-সংস্কৃতি (নামঘৰ, মন্দিৰ, মছ্জিদ, গীৰ্জা, সংঘ আদি)

✪ মানবীয় গুণ (মৰম-চেনেহ, ভ্ৰাতৃত্ববোধ, সহনশীলতা, দায়বদ্ধতা, শৃংখলাবোধ আদি)

✪ সামাজিক নিৰাপত্তা (পুলিচ থানা, ন্যায়ালয়, মানৱাধিকাৰ আয়োগ আদি)

ভৌগোলিক অৱস্থান আৰু সামাজিক পৰিৱেশৰ ভিন্নতাৰ বাবে মানুহৰ সামাজিক প্ৰয়োজনসমূহ ভিন ভিন হ'ব পাৰে। উদাহৰণস্বৰূপে, এখন গাঁও আৰু এখন চহৰৰ সামাজিকভাৱে প্ৰয়োজনীয় ব্যৱস্থাসমূহ একে নহয়।

তোমালোকৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কি কি মানবীয় গুণ আছে বাৰু? এই গুণবিলাক নাথাকিলে কি হ'লহেঁতেন? দলত আলোচনা কৰি একোটিকৈ টোকা লিখা।

উল্লিখিত সামাজিক প্ৰয়োজনসমূহৰ উপৰি বিভিন্ন আমোদ-প্ৰমোদ আৰু অৱসৰ-বিনোদনৰ ব্যৱস্থাই মানুহক শান্তি আৰু আনন্দেৰে জীয়াই থাকিবলৈ সুবিধা দিয়ে। সুস্থ, সুন্দৰ আৰু প্ৰদূষণমুক্ত পৰিৱেশৰ বাবে সমাজত বৃক্ষৰোপণ, প্ৰকৃতি সংৰক্ষণ আৰু চাফ-চিকুণতা আদিৰো যথেষ্ট প্ৰয়োজনীয়তা আছে।

**মনত ৰাখিবলগীয়া কথা ঃ**

➤ জীৱন-ধাৰণৰ প্ৰণালীক উন্নত কৰাৰ বাবে মানুহৰ প্ৰয়োজনৰ সীমা দিনক দিনে বৃদ্ধি হয়।

- উন্নত জীৱন-যাপনৰ প্ৰয়োজনসমূহক আমি বহলভাৱে দুটা ভাগত ভগাব পাৰোঁ—

  (ক) ব্যক্তিগত প্ৰয়োজন

  (খ) সামাজিক প্ৰয়োজন

- মানুহে ব্যক্তিগতভাবে জীৱন অতিবাহিত কৰিবলৈ যিবিলাক সামগ্ৰীৰ প্ৰয়োজন অনুভৱ কৰে, সেইবিলাকেই হ'ল ব্যক্তিগত প্ৰয়োজন।

- সমাজত সুস্থ, সবল আৰু শান্তিপূৰ্ণভাৱে জীয়াই থাকিবলৈ মানুহক যিবোৰ ব্যৱস্থা বা সামগ্ৰীৰ প্ৰয়োজন হয়, সেইবিলাকেই হ'ল সামাজিক প্ৰয়োজন।

- সুস্থ, সুন্দৰ আৰু প্ৰদূষণমুক্ত পৰিৱেশৰ বাবে সমাজত বৃক্ষৰোপণ, প্ৰকৃতি সংৰক্ষণ আৰু চাফ-চিকুণতা আদিৰ যথেষ্ট প্ৰয়োজন আছে।

## অনুশীলনী ঃ

১) মানুহৰ প্ৰয়োজনসমূহক প্ৰধানকৈ কেইভাগত ভগাব পাৰি আৰু কি কি? উদাহৰণসহ লিখা।

২) মানুহৰ জীৱন-ধাৰণৰ মান উন্নয়নত ব্যক্তিগত সামগ্ৰীসমূহে কেনেদৰে সহায় কৰে? শিক্ষকৰ সৈতে আলোচনা কৰি লিখা।

৩) প্ৰদূষণমুক্ত পৰিৱেশৰ বাবে তুমি কি কি ব্যৱস্থা হাতত ল'বা?

৪) শিক্ষানুষ্ঠানৰ পৰা তোমালোকে কেনেদৰে উপকৃত হ'ব পাৰিছা বহলাই লিখা।

৫) শুদ্ধ-অশুদ্ধ নিৰ্ণয় কৰা —

(ক) সুখ, সমৃদ্ধি আৰু সুস্থ জীৱনৰ বাবে মৌলিক প্ৰয়োজনীয় বস্তুৰ বাহিৰে আন কোনো বস্তুৰে প্ৰয়োজন নহয়।

(খ) আদিম যুগৰ মানুহে সূতাৰে তৈয়াৰী সাজ-পাৰ পৰিধান কৰিছিল।

(গ) জীৱন-ধাৰণৰ প্ৰণালীক উন্নত কৰাৰ বাবে মানুহৰ প্ৰয়োজনৰ সীমা দিনক দিনে বৃদ্ধি হয়।

(ঘ) পুথিভঁৰাল জনস্বাস্থ্য বিভাগৰ অন্তৰ্গত বিষয়।

(ঙ) প্ৰদূষণমুক্ত পৰিৱেশৰ বাবে বৃক্ষৰোপণৰ প্ৰয়োজনীয়তা আছে।

(চ) সামাজিক প্ৰয়োজন হিচাপে মানৱীয় গুণৰাজিৰ কোনো আৱশ্যকতা নাই।

৬। **প্ৰকল্প ঃ**

তোমালোকৰ নিজ নিজ এলেকাত সামাজিকভাৱে প্ৰয়োজনীয় কি কি সামগ্ৰী বা ব্যৱস্থা আছে? শিক্ষকৰ সহায়ত পৰ্যবেক্ষণ কৰি তাৰ এখন তালিকা প্ৰস্তুত কৰা। সেইবিলাকে কিদৰে তোমালোকৰ জীৱনত সহায় কৰিছে লিখা।

* * * * * * * * * * *